بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**নবী কৰিম (ছাঃ)ৰ হাদীছ আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ উপদেশৰ আলোকত দোৱাৰ গুৰুত্বৰ বৰ্ণনা আৰু ৰমজান মোবাৰকৰ সম্পৰ্কত জামাতৰ সদস্য সকলক গুৰুত্বপূৰ্ণ উপদেশ**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৭ মাৰ্চ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা আৰু ছুৰা বাকাৰাৰ আয়াত নং ১৮৭ পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কোৰআন কৰিমৰ আয়াতৰ অনুবাদ কৰি কৈছে যে আল্লাহ তা'লাই কয় যেতিয়া মোৰ ভৃত্য সকলে মোক প্ৰশ্ন কৰে তেতিয়া মই নিশ্চয় তেওঁলোকৰ কাষ চাপি যাওঁ, প্ৰাৰ্থনা কৰা সকলৰ প্ৰাৰ্থনাৰ উত্তৰ দিওঁ যেতিয়া তেওঁলোকে মোক স্মৰণ কৰে। গতিকে তেওঁলোকে মোৰ কথাত উপস্থিত আছো বুলি উত্তৰ দিয়া উচিত আৰু মোৰ ওপৰত বিশ্বাস স্থাপন কৰা উচিত যাতে তেওঁলোকে হিদায়ত পাব পাৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ৰমজান মাহ আৰম্ভ হওঁতেই নামাজৰ প্ৰতি আকৰ্ষণ হোৱাৰ ধাৰণা হৃদয়ত উপজে, কাৰণ এই মাহটো কল্যাণপূৰ্বক মাহ। সেই কাৰণে লোকসকল সাধাৰণতে মছজিদৰ ফালে অধিক পৰিমাণে আকৰ্ষিত হয়। এইটো আল্লাহৰ কৃপা যে কমপক্ষে লোকসকলৰ মাজত এই দিনোবোৰতে ধাৰণা জন্মে যে আমি আল্লাহ তা'লাৰ ফালে যাব লাগিব।

আল্লাহ তা'লাই কয় যে মই ৰমজানৰ দিনবোৰতে জাহান্নামৰ দুৱাৰ বন্ধ কৰি দিওঁ আৰু চয়তানক আবদ্ধ কৰি ৰাখো আৰু বেহেস্তৰ দুৱাৰ উন্মোচন কৰি দিওঁ। ইয়াৰ দ্বাৰা লোকসকলে এই ধাৰণা কৰে যে কেৱল ৰমজান মাহতেই উপাসনা কৰাৰ আৱশ্যক, এইটো ভুল ধাৰণা; ৰমজানত উপাসনাৰ প্ৰতি মনোযোগ আকৰ্ষণ এই কাৰণেই কৰা হয় যাতে তোমালোকে ৰমজানক তোমালোকৰ জীৱনৰ অংশ বনাই লোৱা। যদি এনেকুৱা নহয় তেন্তে কেৱল ৰমজানৰ উপাসনা একোৰে উপকাৰ সাধন কৰিব নোৱাৰে।

আঁহজৰত (ছাঃ)য়ে কৈছে যে যিজন ব্যক্তি ঈমানৰ চাহিদাক আৰু ছোৱাবৰ উদ্দেশ্যে ৰমজান মাহত নিশা উঠি নামাজ পঢ়ে তেওঁৰ পূৰ্বৰ পাপ সমূহ ক্ষমা কৰি দিয়া হয়। আল্লাহ তা'লা ক্ষমাশীল, সেইজনাই আমাক

সুযোগ প্ৰদান কৰে যে যদি বছৰটোত তোমালোকৰ পৰা কিবা ভুল হৈছে তেতিয়া নতুনকৈ এই অঙ্গীকাৰ কৰা যে তুমি পৰৱৰ্তীত খোদা তা'লাৰ উপাসনাৰ অধিকাৰ পালন কৰিবা, আৰু সেই সমগ্ৰ সজ কাম কৰিবা যিবোৰৰ আল্লাহ তা'লাই নিৰ্দেশ দিছে; তেতিয়া সেইজনাই নিশ্চয় বৰ দয়াৰ সৈতে তোমাৰ প্ৰতি গুৰুত্ব দিব। উপৰোক্ত আয়াতত আল্লাহ তা'লাই কৈছে যে যেতিয়া মোৰ ভৃত্যই তোমাৰ পৰা কিবা বিচাৰে, ইয়াত বান্দাৰ অৰ্থ হৈছে খোদাৰ প্ৰতি প্ৰেম। প্ৰেমিক এনেকুৱা নহয় যে এঘাৰ মাহ তেওঁক স্মৰণ নকৰিব, কেৱল এমাহ তেওঁৰ প্ৰতি প্ৰেম প্ৰকাশ কৰিব। সেয়ে আমি এই প্ৰাৰ্থনা কৰি থকা উচিত যে হে আল্লাহ ! আমাক তোমাৰ নৈকট্যপ্ৰাপ্ত কৰা। আমাক গ্ৰহণযোগ্য প্ৰাৰ্থনাৰ সৌভাগ্য দান কৰা।

আল্লাহ তা'লাই কোৰআন কৰিমত বাৰম্বাৰ মনোযোগ আকৰ্ষণ কৰিছে যে আল্লাহৰ অধিকাৰ আৰু ভৃত্যসকলৰ অধিকাৰৰ প্ৰতি মনোযোগ দিয়ক। হজৰত মছীহ মাওউদ (আঃ)য়ে এঠাইত কৈছে যে কোৰআন কৰিমত সাত শ আদেশ আছে, বৰঞ্চ এঠাইত কৈছে যে সাত শ তকৈ অধিক আদেশ আছে। যেতিয়া আমি ৰমজান মাহত কোৰআন পাঠ কৰিম তেতিয়া এয়া স্পষ্ট যে আমি আদেশ সমূহৰ সন্ধান কৰি থাকিম আৰু যেতিয়া আদেশ সমূহ সন্ধান কৰি থাকিম তেতিয়া সেই আদেশ সমূহ মানি চলাৰ বাবে চেষ্টা কৰি থাকিম। এইটো হৈছে এজন সত্য প্ৰেমিকৰ কাম।

আল্লাহ তা'লাই কৈছে যে ঈমান আৰু সজ কাম এনেকুৱা বস্তু যি নিজৰ লগতে সন্নিবিষ্ট থাকে, যেতিয়া আল্লাহৰ ওপৰত ঈমান আৰু সেইজনাৰ নিৰ্দেশ সমূহ কাৰ্যক্ষেত্ৰলৈ আনিব তেতিয়া এনেকুৱা ব্যক্তি খোদাৰ তা'লাৰ বন্ধু হৈ যায়, যেতিয়া খোদাৰ তা'লাৰ বন্ধু হৈ যাব তেতিয়া আল্লাহ তা'লাৰ নৈকট্য লাভ কৰিব; ইয়াৰ পিছত এই নৈকট্য বৃদ্ধি হৈয়ে থাকিব। এই নৈকট্য এনেকুৱা নহয় যে এঠাইত গৈ ৰৈ যাব। আল্লাহ তা'লা সেই নৈকট্যৰ ফলত প্ৰাৰ্থনা সমূহ গ্ৰহণ কৰিব। গতিকে ৰমজান মাহত এই মানদণ্ড লাভ কৰাৰ চেষ্টা কৰা উচিত। আল্লাহ তা'লাই প্ৰাৰ্থনা সমূহ গ্ৰহণ কৰাৰ বাবেও চৰ্তাৱলী ৰাখিছে যাৰ মাজৰ প্ৰথম চৰ্ত এইটো যে সেইজনাৰ উপাসনা কৰোঁতা ভৃত্য হ'ব লাগিব, নিষ্ঠাৰ সৈতে সেইজনাৰ উপাসনা কৰিব লাগিব, সেইজনাক সকলো শক্তিৰ কেন্দ্ৰবিন্দু বুলি ভাবিব লাগিব। কোনো মিছাক যেন খোদাৰ স্থান দিয়া নহয় নহলে এইটোৱে শ্বিৰকৰ ফালে লৈ যাব। পোনপ্ৰথম কথা হ'ল যে আল্লাহ তা'লাৰ পৰা দয়া আৰু কৃপা বিচৰা, সেইজনাৰ আদেশ সমূহ পালন কৰাৰ চেষ্টা কৰিবা।

আঁহজৰত (ছাঃ)য়ে অসংখ্য ঠাইত আমাক পুণ্য কাম কৰাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰিছে। হজৰত মছীহ মাওউদ (আঃ)য়ে আমাক বাৰম্বাৰ সেইফালে মনোযোগ আকৰ্ষণ কৰিছে। বয়াতৰ দহটা চৰ্তাৱলীৰ বেছিভাগ চৰ্তত এইটো আছে যে আল্লাহৰ অধিকাৰ আৰু ভৃত্যসকলৰ অধিকাৰ আদায় কৰাৰ প্ৰতি গুৰুত্ব দিবা। গতিকে আমি এইফালে মনোযোগ দিয়া উচিত। যেতিয়া আমি এনেকুৱা কৰিম তেতিয়া আল্লাহ তা'লা নিশ্চয় আমাৰ সহায়ক আৰু বন্ধু হৈ যাব। সেইজনাই আমাৰ প্ৰাৰ্থনা গ্ৰহণ কৰিব। আঁহজৰত (ছাঃ)য়ে কৈছে যে আল্লাহ তা'লা সেইসকল লোকৰ প্ৰাৰ্থনা শুনে যিসকলে অধৈৰ্য নহয়, আৰু এইটোও নকয় যে মই বহু প্ৰাৰ্থনা কৰিছোঁ আল্লাহ তা'লা নুশুনে। কৈছে এনেকুৱা কৰা কুফৰ আৰু আল্লাহ তা'লাৰ পৰা দূৰ লৈ যোৱা কথা।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এইটো হৈছে দুজন বন্ধুৰ ঘটনা, কেতিয়াবা বন্ধুৱে নিজৰ বন্ধুৰ কথা মানি লয়,কেতিয়াবা বন্ধুৰ দ্বাৰা নিজৰ কথা মানি লয়। খোদা তা'লাৰ কাম এনেদৰেই, কিন্তু বাহ্যিকৰূপে খোদা তা'লাই মোমিন সকলৰ প্ৰাৰ্থনা প্ৰত্যাখ্যান কৰে এইটো তেওঁৰ উপকাৰ সাধনাৰ্থেহে কৰে। তেখেত (আঃ)য়ে কৈছে যে যেতিয়া মোৰ ভৃত্যই মোৰ পৰা প্ৰশ্ন কৰে যে খোদাৰ অস্তিত্বৰ প্ৰমাণ কি ? তেতিয়া উত্তৰ এইটো যে মই বহুত ওচৰতে আছো, কোনো ডাঙৰ যুক্তিৰ প্ৰয়োজন নাই, অতি সহজে মোৰ অস্তিত্বৰ প্ৰমাণ সৃষ্টি হৈ যায়, দলিল এইটো যে যেতিয়া প্ৰাৰ্থনা কৰোঁতাই মোৰ পৰা কিবা বিচাৰে তেতিয়া মই সেয়া গ্ৰহণ কৰো আৰু নিজৰ ইলহামৰ দ্বাৰা তেওঁৰ সফলতাৰ শুভ সংবাদ দিওঁ। কোৰআন কৰিমত উল্লেখ আছে যে অদৃশ্যৰ

ওপৰত বিশ্বাস স্থাপন কৰা। হজৰত মছীহ মাওউদ (আঃ)য়ে ইয়াৰ অতি সুন্দৰ ভাৱে ব্যাখ্যা কৰি কৈছে, অদৃশ্য খোদা তা'লাৰ নাম। কৈছে প্ৰাৰ্থনা কৰাৰ আগতে এইটো নিশ্চিত হ'ব লাগে যে খোদা আছে আৰু সেইজনা অসংখ্য গুণাৱলীৰ বৈশিষ্ট্যৰ অধিকাৰী। যেতিয়া এই বিশ্বাসৰ সৈতে আগবাঢ়িবা তেতিয়া তুমি খোদা তা'লাৰ প্ৰকৃত পৰিচয় লাভ কৰিব পাৰিবা। কেৱল ৰমজান মাহতেই নামাজৰ প্ৰতি মনোযোগ আকৰ্ষণ সৃষ্টি হোৱা উচিত নহয়, আল্লাহ তা'লাৰ কৃপা যে আহমদী সকলে নামাজৰ প্ৰতি মনোযোগ দিয়ে তথাপি ইয়াত দুৰ্বলতা আছে।

এই ৰমজান এনেদৰে গঢ়ি তোলা উচিত যে আমাৰ উপাসনাৰ মানদণ্ড যেন উচ্চ পৰ্যায়ৰ হয়, খোদা তা'লাৰ নৈকট্য যেন লাভ কৰিব পৰা যায়, যাতে আল্লাহ তা'লাৰ এজন নিষ্ঠাবান ভৃত্য হ'ব পাৰো। গতিকে এই ৰমজান মাহত আমি প্ৰতিজ্ঞা কৰা উচিত যে আমি নিজৰ উপাসনা প্ৰতিষ্ঠিত ৰাখিম, ইয়াৰ বাবে আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰিব। আঁহজৰত (ছাঃ)য়ে কৈছে যে প্ৰাৰ্থনা সেই বিপদৰ মোকাবিলাত যি আহিছে আৰু যি আহিব উপকাৰ সাধন কৰে। হে আল্লাহৰ ভৃত্যসকল ! তোমালোকে বাধ্যবাধকতাৰ সৈতে প্ৰাৰ্থনা কৰি থকা।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে কেৱল ৰমজান মাহতেই আপদ-বিপদ আৰু অসুবিধা নাহে, বিভিন্ন সময়ত আহি থাকে; সেই কাৰণে আল্লাহ তা'লাই কৈছে যে তোমালোকে কেৱল সেই সময়ত প্ৰাৰ্থনা নকৰিবা যেতিয়া অসুবিধাৰ সন্মুখীন হোৱা, বৰঞ্চ ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে প্ৰাৰ্থনাই সেই দুৰ্যোগ সমূহৰ পৰা ৰক্ষা কৰে যি এতিয়ালৈকে অহা নাই, সেই কাৰণে সদায় প্ৰাৰ্থনা কৰি থকা উচিত।

ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে তোমাৰ খোদা প্ৰতিটো নিশা কাষতীয়া আকাশত অৱতৰণ কৰে, যেতিয়া নিশাৰ তৃতীয় ভাগ অৱশিষ্ট থাকে তেতিয়া আল্লাহ তা'লাই কয় যে কোনে আছে যিয়ে মোক মাত দিয়ে আৰু মই তাৰ উত্তৰ দিম, কোনে আছে যিয়ে মোৰ পৰা কিবা বিচাৰিব আৰু মই সেয়া প্ৰদান কৰিম, কোনে আছে যিয়ে মোৰ পৰা ক্ষমা বিচাৰিব আৰু মই তেওঁক ক্ষমা কৰি দিম এইটো কেৱল ৰমজান মাহৰ চৰ্তাৱলী নহয়, বৰঞ্চ সকলো সময়ৰ কথা। আঁহজৰত (ছাঃ)য়ে কৈছে যে যিজন ব্যক্তিয়ে বিচাৰে যে কষ্টৰ সময়ত আল্লাহ তা'লাই তেওঁৰ প্ৰাৰ্থনা গ্ৰহণ কৰক তেতিয়া তেওঁৰ উচিত যে সাধাৰণ আৰু সমৃদ্ধিৰ সময়ত অধিক পৰিমাণে প্ৰাৰ্থনা কৰিব, এইবোৰ কথা অতি প্ৰয়োজনীয়। আমাৰ আল্লাহৰ সৈতে দৃঢ় সম্পৰ্ক হোৱা উচিত।

এটা বৰ্ণনাত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে মই বান্দাৰ ধাৰণা অনুযায়ী তেওঁৰ সৈতে ব্যৱহাৰ কৰো, যেতিয়া ভৃত্যসকলে মোক স্মৰণ কৰে তেতিয়া মই তেওঁৰ লগত থাকো। যদি মোক অন্তৰেৰে স্মৰণ কৰিব তেতিয়া মইও তেওঁক অন্তৰেৰে স্মৰণ কৰিম। যদি তেওঁ মোৰ স্মৰণ কোনো বৈঠকত কৰিব তেতিয়া মই তেওঁৰ স্মৰণ তাতোকৈ উত্তম বৈঠকত কৰিম। যেতিয়া তেওঁ মোৰ ফালে এক বালিশত (মুকলি হাতৰ এফালৰ আঙুলিৰ পৰা আনফালৰ আঙুলিলৈ যিমান দূৰত্ব) আগবাঢ়ি আহে তেতিয়া মই তেওঁৰ ফালে এক হাত আগবাঢ়ি যাম। যেতিয়া তেওঁ মোৰ ফালে এক হাত আগবাঢ়িব তেতিয়া মই তেওঁৰ ফালে দুই হাত আগবাঢ়ি যাম। যদি তেওঁ মোৰ ফালে খোজকাঢ়ি আহে তেতিয়া মই তেওঁৰ ফালে দৌৰি যাম। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে প্ৰতিজন আহমদীয়ে আল্লাহ তা'লাৰ স্মৰণ সদায় কৰি থকা উচিত। আমাৰ প্ৰতিটো কৰ্ম আৰু কাৰ্য খোদা তা'লাৰ স্বাৰ্থত কৰা উচিত। এটা বৰ্ণনাত আছে যে নবী কৰিম (ছাঃ)য়ে কৈছে যে জুন্নুন অৰ্থাৎ হজৰত ইউনুচ (আঃ) য়ে মাছৰ পেটত থকা অৱস্থাত দোৱা কৰিছিল যে **লা ইলাহা ইল্লা আনতা ছুবহানাকা ইন্নি কুনতু মিনাজ জালিমিন** কৈছে এই প্ৰাৰ্থনা কোনো মুছলমানে যেতিয়া বিপদৰ সময়ত কৰিব আল্লাহ তা'লা তেওঁৰ প্ৰাৰ্থনা নিশ্চয় গ্ৰহণ কৰিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আল্লাহ তা'লা বান্দাৰ প্ৰতি দয়াশীল। সেইজনা নিজেই বান্দা সকলক প্ৰাৰ্থনা কৰা শিকাইছে। কোৰআন কৰিমত বিভিন্ন প্ৰাৰ্থনা যি শিকাইছে সেইবোৰ এই কাৰণে যে যাতে আমি প্ৰাৰ্থনা কৰো আৰু আল্লাহ তা'লা সেয়া নিশ্চয় গ্ৰহণ কৰিব; কিন্তু চৰ্ত সেইটোৱেই যে আমি পোনপ্ৰথমে সেইজনাৰ অধিকাৰ পালন কৰিব লাগিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে এই প্ৰাৰ্থনা সন্দৰ্ভত কৈছে যে ইয়াৰ পৰা এটা শিক্ষা লাভ হয় যে ভাগ্য আল্লাহ তা'লাই সলনি কৰি দিয়ে, ক্ৰন্দন, দান বৰঙণি যিটো হজৰত ইউনুচ (আঃ)ৰ জাতিৰ ঘটনা আছিল। সদস্য সকলৰ ব্যাকুলতাই অপৰাধক প্ৰত্যাখ্যান কৰি পেলায়। কৈছে যিসকল লোকে দুৰ্যোগ অহাৰ আগতে প্ৰাৰ্থনা কৰে আৰু ক্ষমা বিচাৰে আৰু দান বৰঙণি দিয়ে আল্লাহ তা'লা তেওঁলোকৰ ওপৰত দয়া কৰে আৰু তেওঁলোকক আল্লাহৰ শাস্তিৰ পৰা ৰক্ষা কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে বিগত দিনবোৰত মই প্ৰাৰ্থনা কৰাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰিছিলোঁ তাতে ইস্তিগফাৰ (ক্ষমা-প্ৰাৰ্থনা)ৰ প্ৰতিও মনোযোগ আকৰ্ষণ কৰিছিলোঁ। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে ইস্তিগফাৰ এটা ঢাল (যুদ্ধ অস্ত্ৰৰ পৰা সুৰক্ষাৰ বাবে শক্তিশালী লোহাৰ বস্তু)। গতিকে এইফালে গুৰুত্ব দিয়ক, অধিক পৰিমাণে ইস্তিগফাৰ কৰক। নিষ্ঠাৰ সৈতে প্ৰাৰ্থনাৰ প্ৰতি মনোযোগ দিয়ক, ৰমজানৰ পিছতও প্ৰাৰ্থনা আৰু পুণ্যৰ ওপৰত স্থিৰ থকাৰ বাবে চেষ্টা কৰিব তাৰ পিছত চাব যে খোদা তা'লা কেনেকৈ আমাৰ ফালে দৌৰি আহে আৰু আমাক আঁকোৱালি লয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে প্ৰাৰ্থনা কৰাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰি কয় যে আজিকালি পৃথিৱীৰ বিভিন্ন ঠাই পাকিস্তান, বাংলাদেশ, আলজেৰিয়া আদি আৰু কিছুমান আফ্ৰিকা দেশত কিছুমান দলে নিজৰ অধীন কৰি লৈছে বা সেই দলবোৰৰ ফালৰ পৰা আক্ৰমণ হৈ আছে। চৰকাৰেও তেওঁলোকৰ প্ৰতি ভয় কৰি তেওঁলোকৰ কথাবোৰ মানি লয়। আমি প্ৰাৰ্থনা কৰা উচিত যে হে আল্লাহ ! আমাক সেই অত্যাচাৰীৰ পৰা মুক্তি দিয়া। তুমি নিজেই তেওঁলোকৰ প্ৰতিশোধ লোৱা। যেতিয়া আমি এইদৰে প্ৰাৰ্থনা কৰিম তেতিয়া আল্লাহ তা'লা নিশ্চয় মহান বিপ্লৱ সৃষ্টি কৰিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আল্লাহৰ অনুগ্ৰহ অৰ্জন কৰাৰ নৈকট্য লাভৰ উপায় হৈছে প্ৰাৰ্থনা; প্ৰাৰ্থনাৰ আনুষংগিক চৰ্তবোৰ হৈছে যে তাত কোমলতা, আন্তৰিকতা আৰু বিনম্ৰতা থকা উচিত। প্ৰাৰ্থনাৰ প্ৰতি আমি বহু গুৰুত্ব দিয়াৰ প্ৰয়োজন; এই ৰমজানক এনেকুৱা ৰমজান বনাওঁক যে প্ৰাৰ্থনা গৃহীতমূলক ৰমজান হৈ পৰে, নিজৰ ভিতৰত চিৰস্থায়ী পৰিৱৰ্তন সৃষ্টি কৰা ৰমজান হৈ পৰে। আল্লাহ তা'লা আমাক শত্ৰু আৰু অত্যাচাৰী সকলৰ পৰা মুক্তি প্ৰদান কৰক।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ ، عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 7 MARCH 2025**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

**NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB**